# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 03-04-2026**                    **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত।

২। ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই ছুইপ কাৰ্যসূচী অব্যাহত।

৩। অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰীক লৈ গঠন কৰা প্ৰাক্তন ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ তদন্তৰ প্ৰতিবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাৰ্যত নাকচ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৬৫ ৰানত জয়লাভ।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কিছু সময়ৰ পাছতে গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আজি নিৰ্বাচনী প্ৰচাৰৰ বাবে পুনৰ অসমলৈ আহিব। তেওঁ কমলপুৰ, মঙলদৈ আৰু নিউ গুৱাহাটী সমষ্টিত প্ৰচাৰ সভাত অংশ ল'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও আজি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বৰপেটা আৰু বৰছলাত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি হাইলাকান্দি, ধলাই, কাটিগড়া আৰু বৰখলাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাজুলীৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন গামৰ সমৰ্থনত জেংৰাইমুখ আৰু কমলাবাৰীত প্ৰচাৰ সভাত ভাগ ল'ব।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে।

নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ অহা এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেছিয়ে আজি গোৱালপাৰা পূব সমষ্টিৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী হাফিজ বছিৰ আহমেদ কছিমীৰ হৈ প্ৰচাৰ সভাত অংশ লৈছে।

বিটিচিৰ মুৰব্বী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে দলীয় প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰী, চিউলী মহিলাৰী আৰু ৰূপম ৰয়ৰ সমৰ্থনত দতমা, কোকৰাঝাৰ আৰু বাওখুংগ্ৰী সমষ্টিত প্ৰচাৰ চলাই আছে।

তামুলপুৰ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

বাইট (প্ৰমোদ বড়ো)

ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে দলগাঁও সমষ্টিৰ শিয়ালমাৰী, শিলবৰী, বাহাবাৰী অঞ্চলত ব্যাপক প্ৰচাৰ চলাইছে। তেওঁ দলগাঁও সমষ্টিৰ কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী আজিজুৰ ৰহমানক ভোট দি জয়যুক্ত কৰাৰ বাবে ৰাইজৰ প্ৰতি আহ্বান জনায়। ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে কয়, যে বিৰোধী মিত্ৰজোঁট শাসনলৈ আহিলে দুবছৰৰ ভিতৰত প্ৰকৃত ভাৰতীয় নাগৰিকসকলক মাটিৰ পট্টা দিয়া হ'ব। তেওঁ লগতে বান আৰু খহনীয়া সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰা হ'ব বুলিও প্ৰচাৰ সভাত প্ৰতিশ্ৰুতি দিয়ে।

বাইট (অখিল)

0000000

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে।

১০০ শতাংশ ভোটদান সুনিশ্চিত কৰাৰ লক্ষ্যৰে কালি যোৰহাট নিৰ্বাচনী জিলাৰ ছুইপ কোষৰ উদ্যোগত জিলাখনৰ অন্তৰ্গত চাৰিটা বিধানসভা সমষ্টিত শপতগ্ৰহণ কৰা হয়। সমষ্টিকেইটাৰ অন্তৰ্গত এহেজাৰ ২৯৫টা অংগনৱাড়ী কেন্দ্ৰত অনুষ্ঠিত এই বিশেষ শপতগ্ৰহণ অনুষ্ঠানত সমাজকল্যাণ বিভাগৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্য সেৱিকা, অংগনবাড়ী কৰ্মী, সহায়িকা, কেন্দ্ৰসমূহৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ছুইপ কোষৰ দ্বাৰা আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱত প্ৰতিগৰাকী ভোটাৰৰ সক্ৰিয় অংশগ্ৰহণত আলোকপাত কৰা হয়।

0000000

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলাই জিলাই আৰক্ষী আৰু জিলা প্ৰশাসনৰ তালাচী অভিযান অব্যাহত আছে। গোলাঘাট জিলাত আৰক্ষীয়ে বিভিন্ন স্থানত নাকাচেকিঙৰ ব্যৱস্থা কৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা দেখা গৈছে। ৰাজ্যৰ বিভিন্ন ঠাইত ফ্লায়িং স্কোৱাডৰ দলে অভিযান চলাই বুজন পৰিমাণৰ সুৰা আৰু নগদ ধন জব্দ কৰাৰ বাতৰি আমালৈ আহিছে। ওদালগুৰি জিলাৰ হৰিশিঙা আৰক্ষীয়ে অভিযান চলাই কোৰামুৰ অঞ্চলৰ পৰা বহুসংখ্যক অবৈধ সুৰা জব্দ কৰে।

0000000

———ৰাজ্যৰ ৮৫ বছৰ বয়সৰ ঊৰ্দ্ধৰ আৰু বিশেষভাৱে সক্ষম ২৬ হাজাৰ যোগ্য ভোটদাতাৰ বাবে বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া চলি আছে। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰতো ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰিটাৰ্নিং বিষয়াসকলে অনুমোদন দিয়া মুঠ ১৯ হাজাৰ ৭৭৪ গৰাকী জ্যেষ্ঠ নাগৰিক আৰু ছহেজাৰ ৬৩৮ গৰাকী বিশেষভাৱে সক্ষম লোকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীভূমি জিলাতো ঘৰে ঘৰে ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। জিলাখনৰ ৮৮৬ গৰাকী জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাৰ ঘৰে ঘৰে গৈ কাইলৈৰ ভিতৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে, শ্ৰীভূমি জিলাত ৮৫ বছৰৰ উৰ্দ্ধৰ ৬০১ গৰাকী আৰু দিব্যাংগ ভোটাৰ ২৮৫ গৰাকী আছে।

0000

৯ এপ্ৰিলত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে ৫৯ গৰাকী মহিলা আৰু ৬৬৩ গৰাকী পুৰুষ প্ৰাৰ্থী। আলগাপুৰ কাটলিছেড়া আৰু দক্ষিণ কৰিমগঞ্জ সমষ্টিত সৰ্বাধিক ১৫গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ বিপৰীতে ৰঙিয়া, জাগীৰোড, হোজাই, ন-দুৱাৰ, জোনাই, ডুমডুমা, মাহমৰা, টীয়ক আৰু লক্ষীপুৰ এই ৯ টা সমষ্টিত সৰ্বনিম্ন ২ গৰাকীকৈ প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। সমাগত বিধানসভা নিৰ্বাচনত বিজেপিৰ ৯০ গৰাকী, কংগ্ৰেছৰ ৯৯ গৰাকী, আম আদমী পাৰ্টিৰ ১৮ গৰাকী, চি পি আইৰ ২ গৰাকী , অসম গণ পৰিষদৰ ২৬ গৰাকী, এ আই

ইউ ডি এফৰ ৩০ গৰাকী,  ইউ পি পি এলৰ ১৮ গৰাকী, অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লকৰ ২ গৰাকী, ৰাইজৰ দলৰ ১৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। এই নিৰ্বাচনত ২৫৮ গৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

00000

নিৰ্বাচন আয়োগে অসম, কেৰালা, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ বিধানসভা নিৰ্বাচন তথা ৮টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ৪৮ ঘণ্টাৰ নিৰ্বাচনী প্ৰচাৰ নিষিদ্ধ সময়ছোৱাত সকলো সংবাদ মাধ্যম আৰু সম্প্ৰচাৰকক এগ্‌জিট প'ল বা যিকোনো নিৰ্বাচনী বিষয়ৰ প্ৰদৰ্শন নিষিদ্ধ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। আয়োগে প্ৰকাশ কৰে যে টিভি, ৰেডিঅ' চেনেল আৰু কেবল নেটৱৰ্কসমূহে এই নিৰৱতাৰ সময়ছোৱাত প্ৰচাৰ কৰা অনুষ্ঠানসমূহত যাতে কোনো বিশেষ দল বা প্ৰাৰ্থীৰ সম্ভাৱনাক প্ৰচাৰ কৰা নহয় অথবা নিৰ্বাচনৰ ফলাফলত প্ৰভাৱ পেলাব পৰা কোনো বিষয়বস্তু যাতে নাথাকে সেয়া নিশ্চিত কৰাটো উচিত। ইয়াৰ ভিতৰত মতামত সমীক্ষাৰ প্ৰদৰ্শনো অন্যতম বুলি আয়োগে উল্লেখ কৰিছে। আয়োগে লগতে অহা ৯ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা ২৯ এপ্ৰিলৰ সন্ধিয়া চাৰে ৬ বজালৈ এগ্‌জিত প'ল অনুষ্ঠিত কৰা আৰু ছপা বা বৈদ্যুতিন মাধ্যমৰ জৰিয়তে নিৰ্বাচনী ফলাফল প্ৰচাৰৰ ক্ষেত্ৰতো নিষেধাজ্ঞা জাৰি কৰিছে।

00000000

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী জিলাসমূহত অহা ৭ এপ্ৰিলৰ বিয়লি পাঁচ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি পাঁচ বজালৈ ড্ৰাই ডে ঘোষণা কৰা হৈছে। অহা ৪ মে'ত ভোটগণনাৰ দিনটোতো ভোটগণনা শেষ নোহোৱা পৰ্যন্ত ড্ৰাই ডে ঘোষণা কৰা হৈছে।

মৰিগাঁও, নলবাৰী আৰু কামৰূপ মহানগৰ জিলাতো আজি জিলা আয়ুক্তই জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি অহা ৭ এপ্ৰিল বিয়লি পাঁচ বজাৰ পৰা ৯ এপ্ৰিলৰ বিয়লি পাঁচ বজালৈ ড্ৰাই ডে ঘোষণা কৰা লগতে অহা ৪ মে'ত ভোট গণনা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত দিনটোত ড্ৰাই ডে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত জিলাকেইখনৰ সকলো পাইকাৰী আৰু খুচুৰা সুৰাৰ বিপণী বন্ধ থাকিব। লগতে সুৰা বিক্ৰীৰ অনুজ্ঞাপ্ৰাপ্ত ক্লাব, হোটেল আদিতো সুৰাৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে।

এই নিৰ্দেশ অমান্য কৰিলে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ৬৫ ৰানত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে ২২৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰত ১৬১ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ইয়াৰ পূৰ্বে হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২২৬ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ হেন্ড্ৰিক ক্লাছেনে ৩৫ টা বলত ৫২ ৰান আৰু অংগকৃশ ৰঘুবংশিয়ে ২৯ টা বলত ৫২ ৰানৰ অৱদান আগবঢ়ায়।

কলকাতাৰ হৈ ২৪ টা বলত ৩৯ ৰান কৰা আৰু দুটা উইকেট দখল কৰা নীতিশ কুমাৰ ৰেড্ডীক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

0000000

**সমাপ্ত**